# অসম কাব্য কানন

মুখ্য কাৰ্যালয় ঃ মায়ং
জিলা ঃ মৰিগাঁও, অসম
সূচাংক ঃ ৭৮২৪১১
শাখা কাৰ্যালয় ঃ পাঞ্জাবাৰী, গুৱাহাটী- ৩৭
দূৰভাষ ঃ ৯১-৯৮৫৪৭-৭৬১১৯


প্ৰতি,

মাননীয়া সঞ্চিতা বৰা।

বিষয় ঃ **'কাব্যকাননৰ বিশেষ সন্মান'** গ্ৰহণৰ বাবে আমন্ত্ৰণ।

শ্ৰদ্ধাভাজনেষু,

সাদৰ সম্ভাষণ গ্ৰহণ কৰিব। সুন্দৰৰ সাধনাৰে আপুনি আপোনাৰ কবিতাৰ জৰিয়তে যি সৃজনশীলতাৰ পৰিচয় দিছে, সেয়া প্ৰশংসনীয়। আপোনাৰ সাহিত্য সাধনা আৰু কবিতাৰ প্ৰতি থকা আন্তৰিকতা, একাগ্ৰতা আৰু দায়িত্ববোধে আমাক সঁচাকৈয়ে আকৃষ্ট কৰি আহিছে।

আপোনাৰ দৰে এগৰাকী নিষ্ঠাৱান কবিতাৰ সাধকক কাব্যকাননৰ বিশেষ সন্মানেৰে সন্মানিত কৰিবলৈ পাই আমি ধন্য হৈছোঁ।

আপোনাৰ সঁহাৰিয়ে এই অনুষ্ঠানটিৰো মৰ্যাদা বঢ়াব।

উক্ত দিনা অনুষ্ঠিত হ'বলগীয়া **বঁটা প্ৰদান অনুষ্ঠান**ত তলত উল্লিখিত স্থান কালমতে উপস্থিত থাকি, সন্মানটি গ্ৰহণ কৰি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিবলৈ আপোনাক বিনম্ৰতাৰে অনুৰোধ জনালোঁ।

উল্লেখ্য, উক্ত অনুষ্ঠানত বিশিষ্ট কবি অৰ্চনা পূজাৰীৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া কবিতা পাঠৰ অনুষ্ঠানত এটি কবিতা পাঠেৰে আমাক কৃতাৰ্থ কৰিব বুলি আশা ৰাখিলোঁ।

স্থান ঃ অসম কাব্য কাননৰ চতুৰ্থ বাৰ্ষিক অধিৱেশন
বাগ্মীবৰ নীলমণি ফুকন প্ৰেক্ষাগৃহ
শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, পাঞ্জাবাৰী, গুৱাহাটী

তাৰিখ ঃ ১৯ ডিচেম্বৰ, ২০২১ চন (দেওবাৰ)।

বিনয়েৰে—

নৰ ৰাজন

(নৰ ৰাজন)
সম্পাদক
অসম কাব্য কানন